B A 4th Semester
Paper Code : CC -8 (H) Unit : III
Paper title : Study on Literary Criticism (East & West)
Teacher Name : Dr. Harish Das

<u>ধ্বনিৰ স্বৰূপ ব্যাখ্যা</u> : 'ধ্বনি'ৰ স্বৰূপ বিচাৰ কৰিব গ'লে প্ৰথমতেই ধ্বনিৰ বিষয়ে থকা ব্যঙ্গাৰ্থৰ গুৰুত্ব জানিব লাগিব। বাক্যত ব্যঙ্গাঁৰ্থৰ বা প্ৰতীয়মান অৰ্থৰ গুৰুত্ব উপলব্ধি কৰি ধ্বনিক তিনিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল ----বস্তুধ্বনি, অলংকাৰধ্বনি আৰু ৰসধ্বনি। যেতিয়া কোনো এটা বাক্যত থকা শব্দ আৰু অৰ্থৰ মাজেদি ব্যচ্যাৰ্থই বৰ্ণনীয় বস্তুৰ বৰ্ণনা দিয়ে আৰু সেই ব্যঙ্গাঁৰ্থ পাঠকৰ ওচৰত বেছি আকৰ্ষনীয় হৈ উঠে তেতিয়া তাকে বস্তুধ্বনি বোলা হয়। এনেকুৱা ধ্বনিৰ ক্ষেত্ৰত কাব্য বিষয়টোৱে অধিক ৰমণীয়তাৰ সৈতে ব্যঞ্জিত হয়। যেনে ---

"হাতে হাতে ধৰি বোলে বিভীষণে
আছিয়ো পাত্ৰ সমাজ।
বিভীষণে বৈৰী লংকাৰ খেদিয়া
সুখে ভুঞ্জা সবে ৰাজ।।" (ৰামায়ণ)

এই কবিতা ফাঁকিৰ মাজেৰে লংকাৰ পৰা ৰাৱণৰ দ্বাৰা বিভীষণ বিসৰ্জনৰ কথা প্ৰকাশ কৰি এই কাৰ্যৰ দ্বাৰা যে কোনোমতেই লংকাপুৰীৰ ভাল নহয় সেই কথাৰেই ব্যঙ্জনা দিয়া হৈছে।বিসৰ্জনৰ ফলত বিভীষণৰ মনত যি অপমান বা বেদনাৰ সৃষ্টি হ'ল সেয়া কেতিয়াও লড়কাৰ বাবে মংগলজনক নহ'ব এই ব্যঙ্গাঁৰ্থৰূপী কাব্যবস্তু ব্যচ্যাৰ্থতকৈ বেছি মনোগ্ৰাহী হোৱা বাবে এইটো বস্তুধ্বনিৰ উদাহৰণ। যি কাব্যত বাচ্যাৰ্থৰ যোগেদি অলংকাৰৰ ব্যঞ্জনা ঘটে আৰু সেই ব্যঙ্গাঁৰ্থই পাঠকক বেছি আকৰ্ষণ কৰে সেই কাব্যকেই অলংকাৰধ্বনি বোলা হয়। যেনে ----

"নৱ পল্লবিত মোৰ মানস কুঞ্জৰ
সেউজীয়া পাতৰ তলত
শুনিছোঁ তোমাৰ যেন অমিয়া কণ্ঠৰ
সুধা সুৰ মৃদু পঞ্চমত।"

উক্ত কবিতাফাঁকিত মনক পল্লবিত বৃক্ষশাখাৰূপে আৰু মধুৰ কণ্ঠত থকা সুৰক অমৃতৰূপে কল্পনা কৰি কবিয়ে উপমা অলংকাৰৰ ব্যঞ্জনা সৃষ্টি কৰিছে। এজনৰ মিঠা মাত শুনি আনজনে আনন্দ লাভ কৰিছে এই বাচ্যাৰ্থৰ তুলনাত উপমা অলংকাৰৰ ব্যঞ্জনাই ইয়াত বহুত বেছি আনন্দ দান কৰিবলৈ সক্ষম হৈছে। সেই কাৰণেই ইয়াত অলংকাৰধ্বনিৰ সৃষ্টি হৈছে। যি কাব্যত বাচ্যাৰ্থৰ মাজেদি বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সহায়ত ৰসৰ ব্যঞ্জনা ঘটে তাকেই ৰসধ্বনি বোলে। উদাহৰণ –

"ঘন ঘন মুৰুচি পৰয় বৰনাৰী।
ফোকৰে শ্বাস নয়নে জুৰে বাৰি।
কৃষ্ণচৰণ চিন্তিয়ে চিত্ত লাই।
ঘন যদুনাথ চিন্ত্য় পুনু মাই।

ইয়াত মুৰুচি শ্বাস নয়নে বাৰি আদিৰ সহায়ত বাচ্যাৰ্থৰ মাজেদি বিপ্ৰলম্ভ শৃংগাৰৰসৰব্যঞ্জনা দিছে আৰু এই ব্যঙ্গাৰ্থ বাচ্যাৰ্থতকৈ অধিক মনোগ্ৰাহী হৈ উঠিছে। গতিকে উক্ত কাব্যত ৰসধ্বনিৰ সৃষ্টি হৈছে।

ভাৰতীয় অলংকাৰ শাস্ত্ৰত ৰীতিবাদ :

B A 4th Semester
Paper Code : CC -8 (H) Unit : III
Paper title : Study on Literary Criticism (East & West)
Teacher Name : Dr. Harish Das

ৰীতিকেই কাব্যৰ মূল হিচাপে স্বীকাৰ কৰা আলংকাৰিকসকলৰ ধাৰণাকেই সংস্কৃত অলংকাৰ শাস্ত্ৰত ৰীতিবাদ বুলি কোৱা হয়। এই বাদ বা সম্প্ৰদায় অনুসৰি ৰীতিয়েই হ'ল কাব্যৰ আত্মা ---'ৰীতিৰাত্মা কাব্যস্য ।' আচাৰ্য বামণে তেওঁৰ 'কাব্যালংকাৰসূত্ৰ'ৰ প্ৰথম অধিকৰণত ৰীতিকেই কাব্যৰ আত্মা বুলি স্বীকাৰ কৰি ৰীতিবাদৰ পুৰোধা হিচাপে স্বীকৃতি লাভ কৰিছে। দণ্ডীয়ে তেওঁৰ গ্ৰন্থত ৰীতিৰ বিষয়ে যথেষ্ট আলোচনা আগবঢ়াইছে। বিশ্বনাথ কবিৰাজ আদি আলংকাৰিকেও তেওঁলোকৰ গ্ৰন্থত ৰীতিৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে । বামণাচাৰ্যৰ গ্ৰন্থত গুণ আৰু অলংকাৰৰ মাজত থকা প্ৰভেদ সুস্পষ্টভাবে দেখুৱাই দিয়া হৈছে। ঘুণৰ লগত ৰীতি নিবিড়ভাবে জড়িত কাৰণ প্ৰায় প্ৰত্যকজন আলংকাৰিকেই গুণ প্ৰকাষক বৰ্নৰ সমাবেশৰ ভিত্তিত ৰীতি নিৰ্ণয় কৰিছে । আচাৰ্য দণ্ডীৰ গ্ৰন্থত ৰীতি শব্দটোৰ ব্যৱহাৰ কৰা নাই। ৰীতি শব্দৰ পৰিবৰ্তে তেওঁ সম্পূৰ্ণ 'কাব্যাদৰ্শত' মাৰ্গ পদটোৰ ব্যৱহাৰ কৰিছে। আচাৰ্য দণ্ডীয়ে স্পষ্টকৈ তেওঁৰ গ্ৰন্থত বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰ মাজত থকা প্ৰভেদসমূহ উপস্হাপন কৰিছে । তেওঁৰ গ্ৰন্থত গৌড়ীয় মাৰ্গক পৌৰস্ত্য বৈদৰ্ভ মাৰ্গক দাক্ষিণাত্য-----এই দুটা শব্দেৰে সংযুক্ত কৰিছে । দণ্ডীয়ে কৈছে ----অবেক্ষমাৰ্ণা ববৃধে পৌৰস্ত্যা কাব্যপদ্ধতি:' । এই ক্ষেত্ৰত সূচনা কৰা 'পৌৰস্ত্যা কাব্যপদ্ধতি:' পদ দুটাই গৌড়ীয় ৰীতিক বুজাইছে । তেওঁ আকৌ কৈছে –'অতো নৈবমনুপ্ৰাসং দাক্ষিণাত্যা: প্ৰযুঞ্জতে'---এইখিনিতে দাক্ষিণাত্য পদটোৰে বৈদৰ্ভী ৰীতি সমৃদ্ধ কাব্য পদ্ধতিক ইঙ্গিত কৰিছে। আচাৰ্য দণ্ডীয়ে দহটা কাব্য গুণকেই বৈদৰ্ভ মাৰ্গৰ মূল বুলি কৈছে । আচাৰ্য মম্মটৰ মতে বামণাচাৰ্য আদিয়ে উপনাগৰিকা বৃত্তিক বৈদৰ্ভী, পুৰুষ বৃত্তিক গৌড়ী আৰু কোমলাবৃত্তিক পাঞ্চালী ৰীতি হিচাপে গ্ৰহণ কৰিছে। ভোজে ৰীতি আৰু বৃত্তিক শব্দালংকাৰৰ ভিতৰত সামৰি লৈ ছয়বিধ ৰীতিক স্বীকাৰ কৰিছে । 'ধ্বন্যালোক' গ্ৰন্থত সংঘটনা শব্দটো বহুবাৰ ব্যৱহৃত হৈছে আৰু বিশ্বনাথ কবিৰাজৰ ৰীতি লক্ষণত এই পদটোৰ ব্যৱহাৰ দেখা যায়।

ৰীতিৰ বিষয়ে বিভিন্ন আলংকাৰিকে বেলেগ বেলেগ কথা ক'লেও ৰীতি সম্প্ৰদায়ে কিন্তু কাব্যৰ আত্মা বা মূল হিচাপে ৰীতিকেই স্বীকাৰ কৰিছে।

-----------